**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**HEADLINES**

১। ৰাজ্যত শেহতীয়া বানত ১২ খন জিলাৰ দুই লাখ ৬২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত। ব্ৰহ্মপুত্ৰকে ধৰি পাঁচখন নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰত। কেন্দ্ৰীয়মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ডিব্ৰুগড়ত বান পৰিস্থিতিৰ পৰ্যালোচনা।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২৬টা বন শিবিৰ জলমগ্ন। ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিশা যানবাহনৰ চলাচলত নিষেধাজ্ঞা।

৩। সমগ্ৰ দেশজুৰি আজিৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন বলৱৎ।

৪। আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন।

**আৰু**

৫। আই চি চি-টি টুৱেণ্টি বিশ্বকাপৰ খিতাপ জয়ৰ বাবে ভাৰতীয় দললৈ বি চি চি আইৰ ১২৫ কোটি টকাৰ প্ৰাইজমানি ঘোষণা।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি পুনৰ জটিল হৈ পৰিছে। বিগত কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২খন জিলাৰ ২লাখ ৬২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বানত কালি দুজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪লৈ বৃদ্ধি পাইছে। আনহাতে, ব্ৰহ্মপুত্ৰকে ধৰি পাঁচখন নৈ বিপদ সীমাৰ ওপৰেৰে বৈ থকাৰ লগতে ১০খন নৈৰ পানীয়ে সতৰ্কতাৰ সীমা অতিক্ৰম কৰিছে। ব্ৰহ্মপুত্ৰ আৰু ধনশিৰি নদীৰ জলস্তৰ বৃদ্ধি হোৱাৰ ফলস্বৰূপে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২৬ টা বন শিবিৰ জলমগ্ন হৈ পৰিছে। কঁহৰা বনাঞ্চলৰ তিনিটা, অগৰাতলী বনাঞ্চলৰ ৪টা, বাগৰী বনাঞ্চলৰ ২টা, বোকাখাত বনাঞ্চলৰ ২ টা, বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ ৯ টা বন শিবিৰ বানৰ কবলত পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনা অনুসৰি আজিৰেপৰা কাৰ্যকৰী হোৱাকৈ নিশাৰ ভাগত ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ব্যৱসায়িক গধূৰ বাহন আৰু ব্যক্তিগত যানবাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালকৰ লগতে গোলাঘাট জিলা আয়ুক্তই এই নিষেধাজ্ঞা জাৰি কৰিছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে স্থানীয় যানবাহনৰ ক্ষেত্ৰত ৰেহাই দিয়া হ'ব বুলি নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি তেওঁৰ লোকসভা সমষ্টি ডিব্ৰুগড়ৰ বান পৰিস্থিতিৰ বুজ লয়। সমষ্টিটোত বান আৰু খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰাত শ্ৰীসোণোৱালে গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। তেওঁ সাহায্য আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখি বান পীড়িতৰ সুবিধাৰ্থে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাত কৃত্ৰিম বানৰ ফলত পৰিস্থিতি শোচনীয় হৈ পৰিছে। ডিব্ৰুগড় পৌৰ নিগমৰ ২২ টা ৱাৰ্ডৰ হাজাৰ হাজাৰ পৰিয়াল কৃত্ৰিম বানত আৱদ্ধ হৈ পৰিছে। পৌৰ নিগমে ইয়াৰে ৮টা ৱাৰ্ডত পাম্পেৰে আৱদ্ধ পানী উলিয়াই নিয়াৰ প্ৰয়াস চলাইছে যদিও মাইজান, মোহনবাৰী অঞ্চলৰ ফালৰ পৰা অহা পানীয়ে পৰিস্থিতি জটিল কৰি তুলিছে। নেৰানেপেৰা বৰষুণৰ ফলত আকাশবাণী ডিব্ৰুগড়ৰ ষ্টুডিঅ'ৰ মজিয়া পানীৰে উপচি

পৰাত আজি পুৱাৰে পৰা অনুষ্ঠান প্ৰসাৰণ ব্যাহত হৈ পৰিছে। অনুষ্ঠান প্ৰসাৰণৰ কাম লেপেটকটাৰ ট্ৰেন্সমিটাৰত থকা অস্থায়ী ষ্টুডিঅ'ৰ পৰা চলাবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ইফালে, অসমৰ লগতে অৰুণাচল প্ৰদেশত হোৱা ধাৰাষাৰ বৰষুণৰ ফলস্বৰূপে নামনি সোঁৱণশিৰি জলবিদ্যুত প্ৰকল্পৰ বান্ধৰ পৰা প্ৰায় ১৬হাজাৰ কিউমেক পানী নিৰ্গমনৰ সম্ভৱনা আছে বুলি বিভাগীয় নিয়ন্ত্ৰণ কক্ষই প্ৰকাশ কৰিছে। ইয়াৰ ফলত সোঁৱণশিৰি নদীৰ নামনি অংশত বানৰ সম্ভাৱনা বৃদ্ধি পাইছে।

ইপিনে, তিনিচুকীয়া জিলাৰ বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তীত হৈ আছে। জিলাখনৰ নৈ-উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত প্ৰতিদিনে ন ন অঞ্চল প্লাবিত হৈছে। দুৰ্যোগজনিত জৰুৰীকালীন সহায়ৰ বাবে জিলা প্ৰশাসনে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকাকৈ কেইবাটাও দূৰভাষ নম্বৰ মুকলি কৰিছে।

একেদৰে, দেৰগাঁৱৰ চৰাই চাপৰি, নাৰমাৰি, আবানি, শগুণ পাৰাকে ধৰি কেইবাখনো গাঁৱত বানে জটিল ৰূপ ধাৰণ কৰিছে। বানত কেইবাটাও মূল পথ বুৰ যোৱাত বন্যাৰ্তই যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে জল পৰিবহণ বিভাগে অনিৰ্দিষ্ট কাললৈ মাজুলি-নিমাতি সংযোগী ফেৰী সেৱা বন্ধ কৰিছে।

যোৰহাট জিলাৰ টীয়ক আৰু পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত জাজীমুখতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বাঢ়নি পানীয়ে ইতিমধ্যে দুয়োটা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২৫খন গাওঁ বুৰাই পেলোৱাৰ লগতে বহু হেক্টৰ কৃষিভূমি প্লাবিত কৰিছে।

আনহাতে, বৰপেটা জিলাত বেঁকী নদীৰ খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। কলগাছিয়া ৰাজহ চক্ৰৰ অধীনৰ বলাই পথাৰ গাঁৱৰ কেইবা বিঘা কৃষিভূমি নদীৰ বুকুত জাহ যোৱা বুলি আমাৰ সংবাদাদাতই প্ৰকাশ কৰিছে।

0000000

সমগ্ৰ দেশজুৰি আজিৰ পৰা তিনিখন নতুন ফৌজদাৰী আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম বলবৎ হ'ব। কেন্দ্ৰীয় চৰকাৰে এই পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিছে আৰু সকলোৰে এই নতুন ফৌজদাৰী আইন কেইখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ তথা সজাগতা বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন আইন কেইখন ৰূপায়ন কৰাৰ বাবে আৰক্ষী আৰু অনুসন্ধান প্ৰাধিকৰণক সকলো ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰি, অনুষ্ঠান, আলোচনা তথা সামাজিক মাধ্যমৰ জৰিয়তে এই সন্দৰ্ভত বিশদ বিশ্লেষণ কৰা হৈছে। তদুপৰি জনসাধাৰণক এই বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ আলোচনা, তথ্য সমৃদ্ধ ৱেব চাইট, মন্ত্ৰী পৰ্যায়ৰ ৱেবিনাৰ আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ পাঠ্যক্ৰমত এই বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবেও প্ৰয়াস কৰা হৈছে।

নতুন ফৌজদাৰী আইন কেইখনে প্ৰযুক্তিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় অপৰাধ সংগ্ৰহ ব্যুৰ'ৰে বৰ্তমান কাৰ্যক্ষম হৈ থকা অপৰাধ আৰু অপৰাধী ট্ৰেকিং নেটৱৰ্কছ আৰু চিষ্টেমছ চমুকৈ চিচিটিএনএছ এপ্লিকেচনত ২৩টা সংশোধন কৰিব।

অসম চৰকাৰে এই আইন তিনিখন ৰাজ্যত নিয়াৰিকৈ প্ৰৱৰ্তনৰ বাবে ন্যায় বিভাগ আৰু অসম আৰক্ষীৰ সহযোগত যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি নতুন আইনকেইখনৰ সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে মুখ্য সচিবৰ নেতৃত্বত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্ণধাৰ সমিতি গঠন কৰি দিয়া হৈছে। আৰক্ষী সঞ্চালক প্ৰধানক সদস্য, ন্যায়িক বিভাগৰ আইনী পৰামৰ্শদাতাক সদস্য সচিব আৰু কাৰাগাৰ মহাপৰিদৰ্শক, ফৰেণচিক বিজ্ঞান গৱেষণাগাৰৰ সঞ্চালক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ লোক অধিবক্তাক সদস্য হিচাপে লৈ গঠন

কৰা সমিতিখনে আইন তিনিখন সন্দৰ্ভত কেইবালানিও বৈঠক অনুষ্ঠিত কৰিছে। ইয়াৰ সমান্তৰালকৈ চৰকাৰী অধিবক্তা আৰু আৰক্ষী লোকসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আজি বিভিন্ন কাৰ্যসূচীৰ লগতে **উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ গাথা** শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ্ কে বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষম শাখাৰ মুৰববী সিদ্ধাৰ্থ ফুকন, ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষীৰ অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ, গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটীৰ পি আই বিৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেনে নামছুয়ে আলোচনাৰ আঁত ধৰিব। ইয়াৰ লগতে প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া সুৰৰ শৰাই শীৰ্ষক অনুষ্ঠানত বিদ্যুত কুমাৰ মিশ্ৰই বেহেলা বাদনৰ লগতে মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী আৰু ডলী ঘোষ সাধ্যই সংগীত পৰিবেশন কৰিব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা বাতৰি পঢ়া প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰাৰ লগতে পুৰস্কৃত কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি আকাশীস্পন্দন শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ নৱম সংখ্যাটি উন্মোচন কৰা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাজেটৰ ঘোষণা অনুসৰি স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত আজিৰ পৰা হস্ততাঁত খণ্ডৰ ব্যৱসায়ী আৰু উদ্যোগীসকলৰ পঞ্জীয়ন আৰম্ভ কৰা হৈছে। যিসকল ব্যৱসায়ীয়ে স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত হস্ততাঁত উৎপাদিত সামগ্ৰী ক্ৰয় কৰিব বিচাৰে তেওঁলোকৰ বাবে পঞ্জীয়ন বাধ্যতামূলক কৰা হৈছে। এই আঁচনিৰ অধীনত বৰ্তমান পৰ্যন্ত সমগ্ৰ ৰাজ্যৰ ৫ লাখ ৬৪ হাজাৰ ৮১১ গৰাকী শিপিনীয়ে প'ৰ্টেলৰ জৰিয়তে নাম পঞ্জীয়ন কৰিছে। হস্ততাঁত খণ্ডৰ সৈতে জড়িত আগ্ৰহী ব্যৱসায়ী আৰু উদ্যোগীসকলে SWANIRBHARNAARI.ASSAM.GOV.IN ৰ জৰিয়তে ৩১ জুলাইৰ ভিতৰত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ব্যৱসায়ী আৰু উদ্যোগীসকলক নাম পঞ্জীয়নৰ বাবে জি এছ্ টি পঞ্জীয়ন প্ৰমাণ পত্ৰ, পান নম্বৰ, উদ্যম পঞ্জীয়ন নম্বৰ আৰু অন্যান্য আনুষংগিক নথিৰ প্ৰয়োজন হ'ব।

০০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া কালি তেজপুৰ বিশ্ববিদ্যালয়ত উপস্থিত হৈ বিশ্ববিদ্যালয়খনৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ বিশ্ববিদ্যালয়খন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ৰেংকিঙৰ ওপৰৰ স্থানলৈ অহাৰ বাবে সন্তোষ প্ৰকাশ কৰে। শ্ৰী কাটাৰীয়াই ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ সন্দৰ্ভত অধ্যাপকসকলৰ সৈতে আলোচনা কৰে। তেওঁ এই ক্ষেত্ৰত নতুন শিক্ষানীতিৰ সৈতে খাপ খোৱাকৈ সকলো ব্যৱস্থাৰ ৰূপান্তৰ সাধন কৰিবলৈ পৰামৰ্শ দিয়ে।

ৰাজ্যপালগৰাকীয়ে শোণিতপুৰ জিলাৰ লক্ৰাত আয়োজিত আছাম ৰাইফলছ্ চেণ্টিনেলৰ দ্বাৰা আয়োজিত উত্তৰ পূৰ্বাঞ্চল মহিলা ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীকাটাৰিয়াই কয় যে উত্তৰ-পূৰ্বাঞ্চলত অজস্ৰ ক্ৰীড়া প্ৰতিভা আছে আৰু এই প্ৰতিভাসমূহে বিকাশৰ সুযোগ লাভ কৰিলে অঞ্চলটোৰ লগতে ৰাষ্ট্ৰলৈ গৌৰৱ কঢ়িয়াই অনাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত অসম, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা, নাগালেণ্ড, অৰুণাচল আৰু আছাম ৰাইফলছ্ৰ সঞ্চালক প্ৰধানৰ মহিলা ফুটবল দলে অংশ ল'ব।

০০০০০০০

ৰাজ্য চৰকাৰে খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ জনমুখী প্ৰয়াস হিচাপে আজিৰেপৰা ১০জুলাইলৈ অন্ন সেৱা দিন পালনৰ ব্যৱস্থা কৰিছে। এই বিশেষ দিন কেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়াকৈ চাউল সংগ্ৰহ কৰিবৰ

বাবে চৰকাৰে গ্ৰাহকসকললৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীসকলক বিশেষকৈ, অন্ত্যোদয়া অন্ন যোজনাই সামৰি লোৱা পৰিয়াললৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ চাউল আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ বাবে প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ চাউল প্ৰদান কৰা হ'ব।

০০০০০০০

ছাত্ৰ-ছাত্ৰীৰ মাজত নিচাযুক্ত দ্ৰব্য সেৱন প্ৰতিৰোধী আৰু সৰবৰাহ ৰোধৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ বাবে দৰং জিলাই ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ জিলা সন্মান লাভ কৰিছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগে নাৰকোটিক্স কণ্ট্ৰ'ল ব্যুৰ'ৰ সহযোগত কালি আয়োজন কৰা এটা অনুষ্ঠানত দৰং জিলাৰ আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেয়ে কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰাইৰ পৰা এই সন্মান গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় পৰ্যায়ত এই শিতানত দৰং জিলাই ৰাজ্যৰ ভিতৰত একমাত্ৰ জিলা হিচাপে সন্মান লাভ কৰিছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব, পূব আৰু উত্তৰ পশ্চিম খণ্ডত অহা তিনি-চাৰিদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বতৰ বিজ্ঞান বিভাগে এই খণ্ড কেইটাত অ'ৰেঞ্জ আৰু ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু চিকিমৰ লগতে বিহাৰ আৰু পশ্চিমবংগত অহা দুইৰ পৰা তিনিদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বৰ্ডে আইচিচি-টি টুৱেণ্টি বিশ্বকাপৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় দললৈ ১২৫ কোটি টকাৰ প্ৰাইজমানি ঘোষণা কৰিছে। শনিবাৰৰ নিশা কেনচিংটন অ'ভেলত ভাৰতৰ ঐতিহাসিক জয়ৰ পাছতে বিচিচিআইৰ সচিব জয় শ্বাহে এই কথা ঘোষণা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীশ্বাহে কয় যে ভাৰতীয় দলে সমগ্ৰ টুৰ্ণামেণ্টখনতে ব্যতিক্ৰমী প্ৰতিভা, দৃঢ়তা তথা খেলুৱৈ সুলভ মানসিকতা প্ৰদৰ্শন কৰে। শ্ৰীশ্বাহে লগতে সকলো খেলুৱৈ, প্ৰশিক্ষক আৰু দলৰ সহযোগীসকলক এই উল্লেখনীয় কৃতিত্বৰ বাবে শুভেচ্ছা জনায়।

০০০০০০০

ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ যোৱা নিশা অনুষ্ঠিত এখন খেলত স্পেইনে জৰ্জিয়াক ৪-১ গ'লত পৰাস্ত কৰে। স্পেইনৰ ৰ'বিন লে ন'ৰমন্দে দিয়া আত্মঘাটী গ'লৰ বাবে জৰ্জিয়াই আশ্বাষ্যজনকভাৱে খেলত অগ্ৰগতি লাভ কৰিছিল। কিন্তু খেলৰ ৩৯ মিনিটত ৰ'দ্ৰিয়ে দিয়া এটা গ'লৰ জৰিয়তে দুয়োটা দলে সমতা স্থাপন কৰে। পাছত খেলৰ দ্বিতীয়াৰ্ধত ফাবিয়ান ৰুইছ, নিক' উইলিয়ামছ আৰু দানি অ'লম'ছে দিয়া গ'লৰ ফলত স্পেইনে ৪-১ গ'লত বিজয় সাব্যস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত স্পেইনে জাৰ্মানীৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাৰ আন এখন প্ৰি কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ডে শ্ল'ভাকিয়াক ২-১ গ'লত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ড চুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ মহিলাৰ টেষ্ট ক্ৰিকেট খেলখনৰ আজি চতুৰ্থ দিনা দক্ষিণ আফ্ৰিকাই নিজৰ দ্বিতীয় ইনিংচ আৰম্ভ কৰিব। কালি খেল সমাপ্ত হোৱালৈকে দক্ষিণ আফ্ৰিকাই ২ টা উইকেটৰ বিনিময় ২৩২ ৰান কৰি খেলি আছিল। দলটো বৰ্তমান ১০৫ ৰানত পিছপৰি আছে।

পূৰ্বে ভাৰতে প্ৰথম ইনিংচত দক্ষিণ আফ্ৰিকাক ২৬৬ ৰানত আউট ফ'লঅনত খেলাৰ বাবে বাধ্য কৰাইছিল। ভাৰতীয় স্পীনাৰ স্নেহ ৰানাই ৮টা উইকেট দখল কৰি ইতিহাস ৰচনা কৰে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই বাকী দুটা উইকেট দখল কৰে।

০০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত দৈনিক কাকতসমূহৰ ভিতৰত দৈনিক অসম, দৈনিক জনমভূমি, অসমীয়া খবৰ আৰু দি আছাম ট্ৰিবিউন কাকতে ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যৰ ১২ জিলাত বানৰ বিভীষিকা, বানত বুৰ গ'ল আজান পীৰ দৰগাহ এই শিৰোনামেৰে দৈনিক অসম কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাৰ্কশ্বীট কেলেংকাৰীৰ বাতৰিটো ভিন ভিন শিৰোনামেৰে আমাৰ অসম আৰু অসমীয়া খবৰ কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ভাৰতীয় দললৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে প্ৰাইজমানি ঘোষণা কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে বিশ্ববিজয়ী টীম ইণ্ডিয়ালৈ ১২৫ কোটি পুৰস্কাৰ বিচিচিআইৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দেশজুৰি নীট আৰু নেটৰ অনিয়মক কেন্দ্ৰ কৰি অব্যাহত থকা ক্ষোভৰ মাজতে কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী পৰীক্ষা অনলাইন যোগে অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। এই বাতৰিটো কাগজ-কলমত নহয়, অনলাইনত হ'ব নীট শিৰোনামেৰে অসমীয়া খবৰ কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ নামভৰ্তিৰ মাচুল বৃদ্ধি সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে স্নাতকৰ নামভৰ্তিত ব্যাপক হাৰত মাচুল বৃদ্ধি শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

দেশজুৰি তিনিখন নতুন ফৌজদাৰী আইন বলৱতৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে আজিৰে পৰা তিনি নতুন আইন কাৰ্যকৰী শিৰোনামেৰে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে মাজনিশা বিশ্বজয় ঃ আত্মহাৰা দেশ শিৰোনামেৰে ভাৰতীয় ক্ৰিকেট দলৰ বিশ্বজয়ৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত দ্যা চেণ্টিনেল কাকতে দুজন লোকৰ মৃত্যু হোৱা আৰু ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বৰযুণৰ আগলি বতৰাৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ৭৫ উপজিলাৰ বাবে পোৱা নাই মাটি, উপ-জিলা গঠনত জটিলতা, মৰিগাঁৱত দুই কিশোৰৰ সলিল সমাধি, বানত বুৰিল কাজিৰঙা, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooooo

**সমাপ্ত**